بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

## যুদ্ধ আৰু অভিযানৰ প্ৰেক্ষাপটত হজৰত নবী কৰিম (ছাঃ)ৰ জীৱনীৰ বৰ্ণনা

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ২৭ ডিচেম্বৰ ২০২৪ চনত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইনত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

أَشۡهَدُ أَنۡ لَا إِلَٰهَ إِلَّا اللهُ وَحۡدَهُ لَا شَرِيكَ لَهُ وَأَشۡهَدُ أَنَّ مُحَمَّدًا عَبۡدُهُ وَرَسُولُهُ أَمَّا بَعۡدُ فَأَعُوذُ بِاللهِ مِنَ الشَّيۡطٰنِ الرَّجِيۡمِ. بِسۡمِ اللهِ الرَّحۡمٰنِ الرَّحِيۡمِ. اَلۡحَمۡدُ لِلّٰهِ رَبِّ الۡعٰلَمِيۡنَ. الرَّحۡمٰنِ الرَّحِيۡمِ. مٰلِكِ يَوۡمِ الدِّيۡنِ. اِيَّاكَ نَعۡبُدُ وَاِيَّاكَ نَسۡتَعِيۡنُ. اِهۡدِنَا الصِّرَاطَ الۡمُسۡتَقِيۡمَ. صِرَاطَ الَّذِيۡنَ اَنۡعَمۡتَ عَلَيۡهِمۡ ۙ غَيۡرِ الۡمَغۡضُوۡبِ عَلَيۡهِمۡ وَلَا الضَّآلِّيۡنَ.

তাছাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে আজিও কিছুমান অভিযানৰ বিষয়ে উল্লেখ কৰিম। ইতিহাসত এটা অভিযানৰ বিষয়ে উল্লেখ পোৱা যায়, যাক জায়েদ বিন হাৰছাৰ অভিযান কোৱা হয়। এই অভিযান জমাদিল আখিৰ ৬ হিজৰী চনত বনু জুজামৰ এটা চহৰ হাছমাত সংঘটিত হয় যি মদিনাৰ পৰা ৮ ৰাতিৰ দূৰত্বত অৱস্থিত আছিল।

হজৰত মিৰ্জা চাহাবজাদা বশিৰ আহমদ (ৰাঃ)য়ে কৈছে যে এই অভিযানৰ ইতিহাস সম্বন্ধে এটা সমস্যা আছে, যিটো উল্লেখ কৰা প্ৰয়োজন। ইবনে ছাআদ আৰু তেওঁৰ অনুসাৰী আহলে ছায়েৰে এই অভিযানৰ তাৰিখ জমাদিল আখিৰ ৬ হিজৰী বুলি লিখিছে আৰু ইয়াক সঠিক বুলি গণ্য কৰিছে; কিন্তু আল্লামা ইবনে কায়য়ুমে জাদে মিয়াদত ব্যাখ্যা কৰিছে যে এই অভিযান ৭ হিজৰীত ছুলাহ হুদায়বিয়াৰ পিছত সংঘটিত হৈছিল। মোৰ মতে ইয়াৰ এটা কাৰণ এইটো যে আল্লামা ইবনে কায়য়ুমে ইয়াক আওকাণ কৰিছে, আৰু সেইটো এনেকুৱা যে সম্ভৱত কায়ছৰৰ সৈতে সাক্ষাৎ কৰিবলৈ দিহিয়াই ছিৰিয়ালৈ দুবাৰ গৈছিল। অৰ্থাৎ প্ৰথমবাৰ তেওঁ ছুলাহ হুদায়বিয়াৰ আগতে নিজেই বেপাৰ-বাণিজ্যৰ উদ্দেশ্যে গৈ কায়ছৰৰ সৈতে সাক্ষাৎ কৰিছিল, আৰু দ্বিতীয়বাৰ ছুলাহ হিদায়বিয়াৰ পিছত আঁহজৰত (ছাঃ)ৰ চিঠি লৈ গৈছিল। এই তত্ত্বৰ সমৰ্থন এইদৰে হয় যে ইবনে ইছহাকে লিখিছে যে এই যাত্ৰাত দিহিয়াৰ ওচৰত ব্যৱসায়ৰ সামগ্ৰী আছিল আৰু ছুলাহ হুদায়বিয়াৰ পাছৰ ব্যৱসায়িক সামগ্ৰী জড়িত হোৱা যেন নালাগে। এইটোও হ'ব পাৰে যে দিহিয়াৰ এই ভ্ৰমণ কেৱল ব্যৱসায়িক উদ্দেশ্যৰ বাবে আছিল। ইবনে ছাআদৰ বৰ্ণনাকাৰীয়ে এইটোক আন ভ্ৰমণৰ

সৈতে যোগ কৰি কায়ছৰৰ সাক্ষাৎ অনুমান বুলি ভাৰি বিভ্ৰান্ত কৰি উল্লেখ কৰিছে। আল্লাই উত্তম জানে। আকৌ আব্দুৰ ৰহমান বিন আউফ (ৰাঃ)ৰ অভিযানৰ বিষয়ে উল্লেখ পোৱা যায়, এই অভিযান শ্বাবান ৬ হিজৰীত দুই দোমাতুল জান্দালৰ তৰফৰ ফালে হৈছিল। ইয়াৰ ব্যাখ্যা হজৰত চাহাবজাদা মিৰ্জা বশিৰ আহমদ চাহাব (ৰাঃ)য়ে এনেদৰে লিখিছে যে এই অভিযানৰ প্ৰস্তুতি আৰু প্ৰস্থানৰ সন্দৰ্ভত ইবনে ইছহাকে আব্দুল্লাহ ইবনে উমৰ (ৰাঃ)ৰ পৰা এই আকৰ্ষণীয় বৰ্ণনা নকল কৰিছে যে এবাৰ যেতিয়া আমি অৰ্থাৎ হজৰত আবু বক্কৰ (ৰাঃ), হজৰত উমৰ (ৰাঃ), হজৰত উছমান (ৰাঃ), হজৰত আলি (ৰাঃ) আৰু হজৰত আব্দুৰ ৰহমান বিন আউফ (ৰাঃ)ও ইয়াত অন্তৰ্ভুক্ত আছিল, আমি আঁহজৰত (ছাঃ)ৰ সেৱাত বহি আছিলো। এজন আনছাৰী যুৱকে উপস্থিত হৈ তেখেত (ছাঃ)ক সুধে যে হে আল্লাহৰ ৰছুল ! মোমিন সকলৰ মাজত আটাইতকৈ বেছি উত্তম কোন জন ? তেখেত (ছাঃ)য়ে কয় যে সেইজন যাৰ আচাৰ-আচৰণ সকলোতকৈ উত্তম। তেওঁ কলে যে হে আল্লাহৰ ৰছুল (ছাঃ)! আটাইতকৈ বেছি মুত্তাকি কোন হয় ? তেখেত (ছাঃ)য়ে কলে যে সেইজনে যিয়ে মৃত্যুক বেছি স্মৰণ কৰে আৰু ইয়াৰ বাবে সময়সীমাৰ আগতেই প্ৰস্তুতি লয়। হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে প্ৰস্তুতি কি বস্তু, প্ৰস্তুতি সেইটোক কোৱা হয় যে আল্লাহৰ প্ৰতি ভয় কৰা, সেইজনাৰ অধিকাৰ পালন কৰা, সেইজনাৰ নিৰ্দেশাৱলী কাৰ্যকৰী কৰা, এইটো হৈছে মৃত্যুৰ প্ৰস্তুতি। ইয়াৰ পিছত সেই আনছাৰী যুৱকজন নিস্তব্ধ হৈ পৰে, আৰু তেখেত (ছাঃ)য়ে আমাক সম্বোধন কৰি কয় যে হে মুহাজিৰৰ দল ! পাঁচটা বেয়া কৰ্ম এনেকুৱা যিবোৰ মোৰ উম্মতত নহ'বলৈ খোদাৰ পৰা আশ্ৰয় বিচাৰো; কিয়নো সেইবোৰ যি জাতিৰ মাজত প্ৰকাশ পাইছে সেই জাতি ধ্বংস কৰি এৰিছে।

প্ৰথম এইটো যে কেতিয়াও কোনো জাতিৰ মাজত বেশ্যা আৰু অনৈতিকতা ইমানেই বিস্তাৰ লাভ কৰে যাৰ ফলত সিহঁতে সেইবোৰক বেয়া বুলি ক'ব ধৰে যে ইয়াৰ ফলত এনেকুৱা ৰোগ আৰু মহামাৰী বিস্তাৰ লাভ কৰে যিবোৰ তেওঁলোকৰ পূৰ্বৰ মানুহৰ মাজত বিস্তাৰ লাভ কৰা নাছিল। হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে আজিকালি পৃথিৱীত এইবোৰ সাধাৰণতে চাই আছো। আঁহজৰত (ছাঃ)য়ে ইয়াৰ পৰা আশ্ৰয় বিচাৰিছে। মুছলমান সকলে ইয়াৰ প্ৰতি বিশেষ মনোযোগ দিয়া উচিত। দ্বিতীয় কোনো জাতিৰ মাজত ওজন আৰু জোখ-মাপত অসৎতাৰ দুষ্টতা কেতিয়াও হোৱা নাই যে ইয়াৰ ফলত সেই জাতিটোৰ ওপৰত দুৰ্ভিক্ষ, শ্ৰম, কষ্ট আৰু অত্যাচাৰী শাসকৰ ওপৰত বিপদ নামি অহা নাছিল। হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে ইয়াৰ প্ৰতি বিশেষকৈ গভীৰ চিন্তা-ভাৱনা কৰা উচিত। মুছলমান সকলৰ মাজত অসৎতাৰ বেছি সৃষ্টি হৈছে। সম্ভৱত সিহঁতে ইয়াক বুজি পালেহেঁতেন, বিশেষকৈ আহমদীসকলে ইয়াৰ প্ৰতি মনোযোগ আকৰ্ষণ দিয়া উচিত। তৃতীয় কোনো জাতিয়ে জাকাত আৰু দান-বৰঙণিত আদায় কৰাত ইমানে অলসতা সৃষ্টি হৈছে যাৰ ফলত বৰষুণৰ অভাৱ হৈ পৰিছে। ইমানেই যে খোদাই যদি পশু আৰু জীৱ-জন্তুৰ প্ৰতি দৃষ্টি নিদিলে হয় তেন্তে এনেকুৱা জাতিৰ মাজত বৰষুণৰ ধাৰাবাহিকতা বন্ধ কৰি দিলে হয়। হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে এইবোৰ আল্লাহৰ তা'লাৰ শাস্তিৰ নিদৰ্শন হয়, ইয়াৰ পৰা আশ্ৰয় বিচৰা উচিত। আঁহজৰত (ছাঃ)য়ে কৈছে যে আশ্ৰয় বিচৰা, মইয়ো আশ্ৰয় বিচাৰো।

চতুৰ্থ যেতিয়াই কোনো জাতিয়ে খোদা আৰু ৰছুলৰ নিয়ম ভংগ কৰিছে ইয়াৰ ফলত সিহঁতৰ ওপৰত আন আন জাতিৰ শত্ৰুসকলক জাপি দিয়া হৈছে যিসকলে তেওঁলোকৰ অধিকাৰ খৰ্ব কৰিছে। হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে আজিকালি মুছলমান সকলৰ যি অৱস্থা ইয়াৰ পৰা স্পষ্ট যে এওঁলোকে নিজৰ প্ৰতিজ্ঞা উলংঘা কৰে। আল্লাহ তা'লা দয়া কৰক আৰু সিহঁতক বিবেক-বুদ্ধি দান কৰক। পঞ্চম যেতিয়াই কোনো

জাতিৰ উলামাসকলে চৰিয়তৰ বিৰুদ্ধে ফতোৱা জাৰি কৰিছে আৰু চৰিয়তক নিজৰ উদ্দেশ্য অনুযায়ী বিকৃত কৰিছে তেতিয়াই সিহঁতৰ মাজত কাজিয়া-বিবাদৰ ধাৰাবাহিকতা আৰম্ভ হৈছে। হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে যে এইবোৰ এতিয়া মুছলমান সকলৰ মাজত দলবদ্ধভাৱে সাধাৰণ হৈ পৰিছে। যি বস্তুৰ পৰা আঁহজৰত (ছাঃ)য়ে আশ্ৰয় বিচাৰিছিল, সেইবোৰেই বৰ্তমান মুছলমান সকলৰ মাজত দেখিবলৈ পোৱা গৈ আছে, আল্লাহ তা'লা দয়া কৰক। আঁহজৰত (ছাঃ)ৰ এই সংক্ষিপ্ত ভাষণ জাতিসমূহৰ উন্নয়ন আৰু অৱনতিৰ কাৰণসমূহৰ সৰ্বোত্তম মন্তব্য, যদি মুছলমান সকলে বিচাৰে তেন্তে সিহঁতৰ বাবে বৰ্তমানৰ শিক্ষা এক উৎকৃষ্ট শিক্ষা। সম্ভৱত মুছলমান সকলে ইয়াৰ প্ৰতি গভীৰ চিন্তা-ভাৱনা কৰিলে হয়।

আকৌ হজৰত আলি ইবনে চালিব (ৰাঃ)ৰ অভিযান যি ফিদকৰ ফালে আছিল, ইয়াৰ বিষয়ে উল্লেখ পোৱা যায়। এই অভিযান শ্বাবান ৬ হিজৰী তাৰিখত সংঘটিত হৈছিল। ৰছুলে কৰিম (ছাঃ)য়ে হজৰত আলি (ৰাঃ)ক এশ মানুহৰ সৈতে ফিদকত বনু ছাআদ বিন বকৰৰ ফালে ৰাওনা কৰিছিল। ৭ হিজৰী তাৰিখত খায়বৰৰ যুদ্ধৰ সময়ত এই এলেকা সমূহ বিনা যুদ্ধৰে বিজয় হৈছিল।

আকৌ এটা অভিযান হজৰত আবু বক্কৰ (ৰাঃ)ৰ বিষয়ে উল্লেখ পোৱা যায় যিটো বনু ফাজাৰাৰ ফালে আছিল। এই অভিযান ৬ হিজৰী তাৰিখত সংঘটিত হৈছিল। বনু ফাজাৰা নাজাদৰ কুৰা বস্তিত অৱস্থিত আছিল। আলতবকাতে কুবৰা আৰু ছিৰত ইবনে হিশামত লিখা আছে যে এই অভিযান হজৰত জায়েদ বিন হাৰছা (ৰাঃ)ৰ নেতৃত্বত পঠিওৱা হৈছিল। কিন্তু ছহী মুছলিম আৰু ছুনন আবি দাউদৰ পৰা জানিব পৰা যায় যে ৰছুলে কৰিম (ছাঃ)য়ে হজৰত আবু বক্কৰ (ৰাঃ)ক এই অভিযানৰ আমিৰ নিযুক্ত কৰিছিল। এই অভিযানত মুছলমানৰ আমিত আমিতৰ চিহ্ন আছিল। হজৰত ছালমা বিন আকুআ (ৰাঃ)বয়ান কৰিছে যে মই সেইদিনা নিজৰ হাতেৰে সাতজন মানুহক হত্যা কৰিছিলোঁ, আন এটা বৰ্ণনা অনুযায়ী ন জন মানুহক হত্যা কৰাৰ ঘটনা উল্লেখ পোৱা যায়।

শেষত হুজুৰ আনোৱাৰ (আইঃ)য়ে তিনিজন মৰহুমিন সকলৰ স্মৃতিচাৰণ বৰ্ণনা কৰে। তাৰ মাজত প্ৰথমজন আছিল মাননীয় তয়ব আহমদ চাহাব বাংগালী যিজন দৰৱেশ আছিল। তেখেত ১১ ডিচেম্বৰত ৯৭ বছৰ বয়সত ইহলীলা সম্বৰণ কৰে। ইন্না লিল্লাহি ওৱা ইন্না ইলায়হি ৰাজিউন। বাংলাদেশত তেখেতৰ জন্ম হৈছিল। ১৯৪২ চনত তেখেত ঢাকাত নিয়মিত বয়াত ফৰ্ম পূৰ্ণ কৰি আহমদীয়ত গ্ৰহণ কৰাৰ সৌভাগ্য লাভ কৰিছিল। ১৯৪৫ চনত প্ৰথমবাৰ কাদিয়ানৰ বাৰ্ষিক জলছাত অংশগ্ৰহণ কৰিছিল, আৰু হজৰত মুচলেহ মাওউদ (ৰাঃ)ৰ সৈতে সাক্ষাৎ কৰাৰ সুযোগ লাভ কৰিছিল। কাদিয়ানৰ সৈতে ইমানে গভীৰ সম্পৰ্ক সৃষ্টি হৈ গৈছিল যে ইয়াৰ পিছত নিজৰ দেশলৈ ঘূৰি যোৱা নাছিল। তেখেত দুই বছৰ গাঁৱত মুবাল্লিগ সকলৰ বিশেষ ক্লাছৰ পৰা শিক্ষা অৰ্জন কৰিছিল। সেই সময়ছোৱাত ১৯৪৭ চনত দেশ বিভাজনৰ ঘটনা ঘটে তেতিয়া তেখেতে কাদিয়ানত অৱস্থান কৰাৰ আবেদন জনায় সেই আবেদন অনুমোদন কৰা হয়। দৰৱেশৰ যুগত তেখেতে বিভিন্ন ঠাইত সুৰক্ষাৰ ডিউটিৰ সুযোগ পাইছিল। ছদৰ আঞ্জুমান আহমদীয়াৰ বিভিন্ন অফিচত তেখেতে সেৱা আগবঢ়োৱাৰ সুযোগ পাইছিল। ১৯৫৫/১৯৫৬ চনত জামাতৰ আৰ্থিক সংকট আছিল। ছদৰ আঞ্জুমান আহমদীয়া কাদিয়ানে এই ঘোষণা কৰে যে যিসকল দৰৱেশে নিজৰ উপাৰ্জন কৰিব পাৰে সিহঁতে নিজৰ দৈনন্দিন কাম কাজৰ সন্ধান কৰা উচিত। কাৰণ জামাতী এলাউন্স দিয়া নহ'ব আৰু সিহঁতৰ আৰ্থিক বোজা বহন কৰিব পৰা নাযাব। এই নিৰ্দেশ মতে তেখেতে দাৰুল মছীহৰ বাহিৰত এখন চাহ দোকান খোলে। তেখেতে বেছিভাগ সময়ত অতিথি আৰু দৰিদ্ৰ শ্ৰেণীৰ লোক সকলক বিনা টকা লৈ চাহ পান কৰোৱাৰ যোগান ধৰিছিল।

তেখেতৰ বিয়া কেৰালাৰ এগৰাকী বিবাহ বিচ্ছেদ হোৱা মহিলাৰ সৈতে হৈছিল, যাৰ নাম আছিল আমিনা, তাইৰ এজনী ছোৱালী আছিল,সেই ছোৱালীজনীক তেখেতে লালন-পালন কৰিছে। এবাৰ তেখেতৰ আঁঠুৰ তীব্ৰ বিষ হৈছিল যাৰ ফলত চলা-ফুৰা অসুবিধা হৈ গৈছিল। ডাক্তৰে তেখেতক অপাৰেচন কৰাৰ পৰামৰ্শ দিছিল কিন্তু তেখেতে অপাৰেচন হোৱা নাছিল বৰঞ্চ দোৱাৰ প্ৰতি বৰ গুৰুত্ব দিছিল আৰু বৰ নিষ্ঠাৰ সৈতে দোৱাৰ প্ৰতি জোৰ দিছিল। এটা ৰাতি এয়া কৈছিল যে মই সপোনত দেখিছো যে হজৰত মছীহ মাওউদ (আঃ)য়ে উপস্থিত হৈ মোক বেহেস্তী মকবৰাৰ কিছু বনৌষধি খোৱায়। ইয়াৰ পিছত লাহে লাহে আঁঠুৰ কষ্ট দূৰ হয়, তাৰ পাছত আকৌ নিয়মিত ভাৱে নামাজৰ বাবে মছজিদ আকছা, মছজিদ মোবাৰক যোৱা আৰম্ভ কৰিলে। খলিফাৰ সৈতে প্ৰগাঢ় ভালপোৱাৰ সম্পৰ্ক আছিল। ক্ৰীড়াৰ প্ৰতি তেখেতৰ বৰ আগ্ৰহ আছিল। সেই কাৰণে যুৱক সকলৰ সৈতে বিশেষ সম্পৰ্ক আছিল, সিহঁতৰ উৎসাহ বৃদ্ধি কৰিছিল, খেল পথাৰত আহি উপস্থিত হৈছিল, তেখেতৰ মাধ্যমে যুৱক সকলৰ প্ৰশিক্ষণ হৈছিল।

হজৰত মুচলেহ মাওউদ (ৰাঃ)ৰ নিৰ্দেশ অনুসৰি দেশ বিভাজনৰ সময়ত তিনি শ তেৰ জন দৰৱেশ কাদিয়ানত অৱস্থান কৰিছিল। সেই দৰৱেশ সকলৰ মাজৰ তেখেত আছিল অন্তিম; তেখেতৰও মৃত্যু হৈ গ'ল। এতিয়া কাদিয়ানত দৰৱেশ অৱশিষ্ট নাথাকিল। কাদিয়ানৰ এইটো প্ৰথম জলছা যিটো বিনা দৰৱেশ হ'ল। আজিৰ পৰা জলছা আৰম্ভ, এতিয়া কাদিয়ানৰ নতুন প্ৰজন্মৰ কাম এইটো যে সিহঁতে যেন তেখেতসকলৰ বুজুৰ্গসকলে কৰা কোৰবাণীক প্ৰতিষ্ঠিত ৰাখে আৰু নিষ্ঠা আৰু সহানুভূতিৰ সৈতে জীৱন অতিবাহিত কৰে। আল্লাহ তা'লা সিহঁতক সৌভাগ্য দান কৰক।

এইদৰে হুজুৰ আনোৱাৰ (আইঃ)য়ে মিৰ্জা মাহমুদ্দিন নাজ চাহাব সভাপতি ছদৰ আঞ্জুমান আহমদীয়া ৰাবৱা আৰু মাননীয় আকমুৰাত খাকিব চাহাব নেশ্বনাল সভাপতি জামাত তৰকমানিস্তানৰ স্মৃতিচাৰণ বয়ান কৰি তিনিওজন মৰহুমিনৰ নামাজে জানাজা আদায় কৰাৰ ঘোষণা কৰি মৰহুমিন সকলৰ ক্ষমাৰ আৰু উন্নত মৰ্যাদাৰ বাবে দোৱা কৰে।

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهُ وَنَسْتَعِيْنُهُ وَنَسْتَغْفِرُهُ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَنْ يَّهْدِهِ اللّٰهُ فَلَا مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلَا هَادِيَ لَهٗ وَنَشْهَدُ اَنْ لَّا اِلٰهَ اِلَّا اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ، عِبَادَ اللّٰهِ رحمکم الله اِنَّ اللّٰهَ يَاْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِى الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ۔

ASSAMESE KHULASA KHUTBA JUMA HUZUR ANWAR aba 27 DEC 2024

**BOOK POST (PRINTED MATTER)**

TO,

..............................................................................................................

..............................................................................................................

..............................................................................................................

NASHOR-O ISHAAT QADIAN, DIST GURDASPUR,143516 PUNJAB